# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 11-01-2026
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঐতিহাসিক সোমনাথ স্বাভিমান পৰ্বত অংশগ্ৰহণ কৰিব।

২। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ভাৰতীয় ডাক বিভাগৰ স্পীপড পোষ্ট ২৪ আৰু স্পীপড পোষ্ট ৪৮ নামৰ দুটা নতুন সেৱাৰ কথা ঘোষণা কৰিছে।

৩। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে এখন প্ৰাক বাজেট পৰামৰ্শ আলোচনাত মিলিত হয়।

৪। চাকৰিৰ ভুৱা প্ৰতিশ্ৰুতিৰে ম্যানমাৰলৈ নি অবিধভাৰে চাইবাৰ কেলেংকাৰিত লিপ্ত হ'বলৈ বাধ্য কৰা ২৭ গৰাকী ভাৰতীয় নাগৰিকক স্বদেশলৈ ঘূৰাই অনা হৈছে।

*আৰু*

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি বডোডৰাত অনুষ্ঠিত হ'ব।

ooooo

তিনিদিনীয়া ভ্ৰমণসূচীৰে সম্প্ৰতি গুজৰাটত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ঐতিহাসিক সোমনাথ স্বাভিমান পৰ্বত অংশগ্ৰহণ কৰিব। ১০২৬ চনৰ জানুৱাৰীত সোমনাথ মন্দিৰৰ ওপৰত সংঘটিত প্ৰথম আক্ৰমণৰ এহেজাৰ বছৰ আৰু দেশে স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫১ চনত মন্দিৰটো পুনৰ নিৰ্মাণৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে মন্দিৰটোৰ ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়াসকলৰ সন্মানাৰ্থে প্ৰতিকী ৰূপত আয়োজন কৰা শৌৰ্য যাত্ৰাটো অংশগ্ৰহণ কৰিব। তেওঁ মন্দিৰটোত পূজা-অৰ্চনাও আগবঢ়াব। পাছত প্ৰধানমন্ত্ৰীয়ে ৰাজকোটত আয়োজিত ভাইব্ৰেণ্ট গুজৰাট আঞ্চলিক সন্মিলন মুকলি কৰিব।

১২ জ্যোৰ্তিলিংগৰ প্ৰথম ঐতিহাসিৰ সোমনাথ শিৱ মন্দিৰ অভূতপূৰ্ব আস্থাৰ প্ৰতীক। বিদেশী আক্ৰমণকাৰীসকলে শতিকা শতিকা ধৰি মন্দিৰটো আক্ৰমণৰ লক্ষ্য কৰি লৈছিল। ১০২৬ চনত গজনিৰ মামুদে মন্দিৰটোৰ সম্পদ লুটি নিছিল আৰু মণিকূট ধ্বংস কৰিছিল। ভীমদেৱৰ দৰে স্থানীয় ৰজাসকলে মন্দিৰটো পুনৰ নিৰ্মাণৰ বাবে বাৰে বাৰে চেষ্টা চলোৱাৰ পাছতো ১৭ শতিকাত মোগল সম্প্ৰাট ঔৰংজেৱৰ দিনত মন্দিৰটো পুনৰ ধ্বংস কৰা হৈছিল। ১৮ শতিকাত ইন্দোৰৰ ভৱিষ্যদৰ্শী ৰাণী অহিল্যা বাই হোলকাৰে ধ্বংসপ্ৰাপ্ত মন্দিৰৰ সমীপত এটা নতুন মন্দিৰ নিৰ্মাণ কৰি ভক্তিৰ আস্থা সজীৱ কৰি ৰাখিছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাছত ১৯৪৭ চনত

চৰ্দাৰ বল্লভ ভাই পেটেলে প্ৰভাষ পাটলত থকা মন্দিৰৰ ধবংসাৱশেষ পৰিদৰ্শন কৰিছিল আৰু দেশৰ হৃত গৌৰৱ উদ্ধাৰ কৰাৰ উদ্দেশ্যে মন্দিৰটো পুনৰ নিৰ্মাণৰ ঐতিহাসিক সংকল্প লৈছিল। তেওঁৰ পথ প্ৰদৰ্শনত এটা ৰাজহুৱা ন্যাস গঠন কৰা হৈছিল আৰু এই ন্যাসৰ অধীনত চালুক্য শৈলীৰ বৰ্তমানৰ মন্দিৰটো নিৰ্মাণ কৰা হৈছিল। ১৯৫১ চনত সেই সময়ৰ ৰাষ্ট্ৰপতি ডং ৰাজেন্দ্ৰ প্ৰসাদে মন্দিৰটো উদ্বোধন কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মন্দিৰটোৰ উন্নয়ন যাত্ৰা বৰ্তমান অব্যাহত আছে। প্ৰসাদ আঁচনিৰ অধীনত সমুদ্ৰৰ পাৰে পাৰে খোজকঢ়াৰ সুবিধা, পৰ্যটন কেন্দ্ৰ আৰু সংগ্ৰহালয় বীথিকাকে ধৰি অত্যাধুনিক সা-সুবিধাৰে মন্দিৰ চৌহদ সু-সজ্জিত কৰি তোলা হৈছে।

ooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই ভাৰতীয় ডাক বিভাগৰ স্পীপড পোষ্ট 24 আৰু স্পীপড পোষ্ট 48 নামৰ দুটা নতুন সেৱাৰ কথা ঘোষণা কৰিছে। এই সেৱাৰ জৰিয়তে ২৪ আৰু ৪৮ ঘণ্টাৰ ভিতৰত সুৰক্ষিতভাৱে নিৰ্দিষ্ট স্থানত প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। শ্ৰীসিন্ধিয়াই কালি মধ্যপ্ৰদেশৰ শিৱপুৰী জিলাৰ পিচ'ৰত এই কথা ঘোষণা কৰে। এই পদক্ষেপ ডাকসেৱাৰ আধুনিকীকিকৰণৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। এই উপলক্ষে শ্ৰীসিন্ধিয়াই কয়, যে এই সেৱাই সময়ানুৱৰ্তিতা, নিৰ্ভৰযোগ্যতা আৰু দ্ৰুত সেৱাৰ নতুন মান নিৰ্ধাৰণ কৰিব।

ooooo

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি নতুন দিল্লীত ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ সৈতে এখন প্ৰাক বাজেট পৰামৰ্শ আলোচনাত মিলিত হয়। বৈঠকত বিত্ত ৰাজ্যমন্ত্ৰী পংকজ চৌধৰী, মণিপুৰৰ ৰাজ্যপাল, গোৱা, হাৰিয়ানা, মেঘালয়, ছিকিম, দিল্লী আৰু জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী, অৰুণাচল প্ৰদেশ, মধ্যপ্ৰদেশ, ওড়িশা, ৰাজস্থান আৰু তেলেংগানাৰ উপ মুখ্যমন্ত্ৰীসকল উপস্থিত থাকে। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ বিত্ত আৰু অন্যমন্ত্ৰীসকলেও বৈঠকত ভাগ লয়।

বিত্ত মন্ত্ৰালয়ৰ তৰফৰ পৰা জাৰি কৰা এটা বিবৃতিত বৈঠকত অংশগ্ৰহণকাৰীসকলে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত ভালেমান পৰামৰ্শ আগবঢ়োৱা বুলি প্ৰকাশ কৰা হৈছে। কেইবাগৰাকীও অংশগ্ৰহণকাৰীয়ে অধিক আৱণ্টনৰ সৈতে মূলধনী বিনিয়োগৰ বাবে ৰাজ্যসমূহলৈ বিশেষ সাহায্য আঁচনি অব্যাহত ৰাখিবলৈ পৰামৰ্শ দিছে। ২০২০-২১ বৰ্ষৰ পৰা চৰকাৰে এই আঁচনিৰ অধীনত ৰাজ্যসমূহলৈ ৫০ বছৰৰ বাবে বিনামূলীয়া ঋণ হিচাপে ৪ লাখ ২৫ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সকলো অংশগ্ৰহণকাৰীকে বাজেট প্ৰস্তুত কৰাৰ সময়ত তেওঁলোকৰ পৰামৰ্শসমূহৰ কথা বিবেচনা কৰা হ'ব বুলি আশ্বাস দিছে। উল্লেখযোগ্য যে, সংসদৰ বাজেট অধিৱেশন অহা ২৮ জানুৱাৰীত আৰম্ভ হ'ব।

ooooo

দেশে স্বদেশী আৰু স্ব-ভাষাৰ মন্ত্ৰ আঁকোৱালি লৈ আত্মনিৰ্ভৰ হৈ উঠিব পাৰে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে। ৰাজস্থানৰ যোথপুৰত কালি এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে জনসাধাৰণক স্থানীয় সামগ্ৰী ব্যৱহাৰ কৰিবলৈ আৰু ঘৰত নিজৰ মাতৃভাষাতে কথা পাতিবলৈ আহ্বান জনায়। শ্ৰীশ্বাহে কয়, যে ভাষা যিকোনো সমাজ, সংস্কৃতি আৰু অঞ্চলৰ সংৰক্ষণৰ মূল চাবি-কাঠি স্বৰূপ। তেওঁ কয়, যে বিশ্বৰ প্ৰগতিৰ বাবে প্ৰয়োজন অনুসৰি যিকোনো ভাষা শিকিব পাৰি যদিও ঘৰত শিশুৰ সৈতে কথা পতাৰ বাবে স্থানীয় ভাষাহে ব্যৱহাৰ কৰা উচিত। এনে কৰিলে শিশুসকল শিপাৰ সৈতে সংপৃক্ত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। আত্মনিৰ্ভৰ ভাৰত

গঢ়াৰ বাবে কাম কৰাৰ আৱশ্যকতাৰ বিষয়ে গুৰুত্ব আৰোপ কৰি শ্ৰীশ্বাহে কয়, যে স্বদেশীৰ মন্ত্ৰই ২০৪৭ চনৰ ভিতৰতে সকলো ক্ষেত্ৰতে দেশক অগ্ৰণী ৰাষ্ট্ৰৰূপে পৰিণত কৰিব।

০০০০০

চাকৰিৰ ভুৱা প্ৰতিশ্ৰুতিৰে ম্যানমাৰলৈ নি অবৈধভাৱে চাইবাৰ কেলেংকাৰিত লিপ্ত হ'বলৈ বাধ্য কৰা ২৭ গৰাকী ভাৰতীয় নাগৰিকক স্বদেশলৈ ঘূৰাই অনা হৈছে। এই লোকসকল কালি নতুন দিল্লীত উপস্থিত হয় আৰু তেওঁলোকক ইতিমধ্যে নিজৰ নিজৰ গৃহ নগৰলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ কেৰালা ভ্ৰমণসূচীৰে যোৱানিশা তিৰুৱনন্তপুৰমত উপস্থিত হয়। তিৰুৱনন্তপুৰম পৌৰ নিগমৰ নৱনিৰ্বাচিত মেয়ৰ ভি ভি ৰাজেশ, কেৰেলা বিজেপিৰ সভাপতি ৰাজীৱ চন্দ্ৰশেখৰকে ধৰি দলৰ জ্যেষ্ঠ নেতাসকলে গৃহমন্ত্ৰীগৰাকীক বিমানবন্দৰত আদৰণি জনায়। এই ভ্ৰমণসূচীত গৃহমন্ত্ৰী শ্ৰীশ্বাহ ৰাজ্যখনৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত জয় লাভ কৰা বিজেপিৰ প্ৰতিনিধিসকলৰৰ সৈতে বৈঠকত মিলিত হ'ব। আজি পুৱা শ্ৰীপদ্ম নাভা স্বামী মন্দিৰত গৃহমন্ত্ৰীগৰাকীয়ে পূজা অৰ্চনাত ভাগ ল'ব। বিয়লিৰ ভাগত কেৰালা কৌমুদী সন্মিলনতো তেওঁ উপস্থিত থাকিব। শ্ৰীশ্বাহে লগতে বিজেপি আৰু এন ডি এৰ এখন বৈঠকতো ভাগ ল'ব।

০০০০০

সক্ৰিয় শাসন আৰু নিৰ্ধাৰিত সময়ত আঁচনি ৰূপায়ণৰ বাবে প্ৰধানমন্ত্ৰীৰ ধ্বজাবাহী মঞ্চ প্ৰগতিৰ ৫০ সংখ্যক বৈঠকৰ সফলতাৰ উল্লেখযোগ্য মাইলৰ খুঁটি ৰূপে বিবেচিত হৈছে। ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰগতি আৰম্ভ কৰাৰ পিছৰে পৰা এই কাৰ্যসূচীৰ অধীনত প্ৰধানমন্ত্ৰীৰ দ্বাৰা প্ৰত্যেক্ষ পৰ্যালোচনাৰ জৰিয়তে আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু জনসাধাৰণৰ অভিযোগসমূহৰ নিৰীক্ষণ আৰু সমাধান কৰি শাসন ব্যৱস্থাৰ ৰূপান্তৰ কৰা হৈছে। এই মঞ্চই সহযোগিতামূলক যুক্তৰাষ্ট্ৰবাদৰ উদাহৰণ দাঙি ধৰাৰ লগতে কেন্দ্ৰ, ৰাজ্য, আৰু কেন্দ্ৰীয় মন্ত্ৰালয়ক একত্ৰিত কৰে। এটা দশক ধৰি প্ৰগতিয়ে সিদ্ধান্ত গ্ৰহণ ত্বৰান্বিত কৰাত সহায় কৰিছে, আন্তঃগাঁথনি প্ৰকল্পসমূহত বিলম্ব হোৱা সমস্যাসমূহৰ সমাধানত সহায় কৰিছে আৰু শক্তিশালী সংস্কৃতি গঢ়ি তুলিছে। ৰেল মন্ত্ৰালয়ৰ জবলপুৰৰ পৰা গণ্ডিয়ালৈ মিটাৰগজক ব্ৰদগজলৈ পৰিৱৰ্তন প্ৰকল্প ইয়াৰ উৎকৃষ্ট উদাহৰণ।

এই প্ৰকল্পই প্ৰায় ২৮৫ কিলোমিটাৰ দৈৰ্ঘ্য সামৰি লৈছে। দেশৰ মধ্য অংশত ৰে'ল সংযোগ সুদঢ় কৰাৰ বাবে প্ৰায় ১ হাজাৰ ৯৯১ কোটি টকা ব্যয় সাপেক্ষে প্ৰকল্পটো অনুমোদন দিয়া হৈছিল। প্ৰকল্পটোৰ অধীনত বালাঘাট কাটাংগী অংশকে ধৰি মিটাৰ-গজ পথছোৱা ব্ৰড গেজলৈ পৰিৱৰ্তন কৰা হৈছিল। এই পৰিৱৰ্তনে কৃষি উৎপাদন, বনভিত্তিক কাৰ্যকলাপ আৰু খনিজ পদাৰ্থ থকা

জিলাসমূহক বিশেষভাৱে সহায় কৰে। ২০১৬ চনৰ মাৰ্চ মাহত প্ৰগতি কাৰ্যসূচীৰ অধীনত এই প্ৰকল্প গ্ৰহণ কৰা হৈছিল।

ooooo

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আজি গুজৰাটৰ বডোডৰাত অনুষ্ঠিত হ'ব। খেলখন দিনৰ ডেৰ বজাত আৰম্ভ হ'ব। ৰোহিত শৰ্মা আৰু বিৰাট কোহলিক শৃংখলাটোৰ বাবে দলত অন্তৰ্ভুক্ত কৰা হৈছে। ঋষভ পন্টক আঘাটৰ বাবে শৃংখলাৰ পৰা বাদ দিয়া হৈছে। শুভমন গিলে এই শৃংখলাত ভাৰতীয় দলৰ নেতৃত্বৰ দায়িত্ব বহন কৰিব।

শৃংখলাৰ দ্বিতীয়খন খেল অহা ১৪ জানুৱাৰীত ৰাজকোটৰ নিৰঞ্জন শ্বাহ ষ্টেডিয়ামত আৰু তৃতীয়খন খেল ১৮ জানুৱাৰীত ইন্দোৰৰ হোলকাৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নবী মুম্বাইত অনুষ্ঠিত এখন খেলত দুবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছে ডেলহি কেপিটেলছক ৫০ ৰানত পৰাস্ত কৰে। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৯৫ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ অধিনায়ক হৰমনপ্ৰীত কৌৰে ৭৫ ৰান কৰি আউট নোহোৱাকৈ থাকে। নেট স্কাইবাৰ ব্ৰণ্টে ৭০ ৰানৰ অৱদান আগবঢ়ায়। প্ৰত্যুত্তৰত ডেলহি কেপিটেলছে ১৯৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৪৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। দিল্লীৰ হৈ চিনেইল কেৰিয়ে সৰ্বাধিক ৫৬ ৰান কৰে। মুম্বাই ইণ্ডিয়ানছৰ হৈ নিকলা কেৰী আৰু অমেলিয়া কেৰে তিনিটা উইকেট লাভ কৰে।

প্ৰতিযোগিতাত আজি নবী মুম্বাইত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**